# হকনগুৰি চাহ বাগিচাৰ প্ৰবন্ধকৰ সৈতে প্ৰতিভাৱান শিশু পল্লৱী দাস পাণিকা-ৰিজু ৰাজ পাত্ৰৰ মত বিনিময়

**গুৱাহাটী, ২৫ আগষ্ট ঃ** এ পি জে টীৰ হকনগুৰি নিম্ন বুনিয়াদী বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক চাহ বাগানখনৰ দুজন অন্যতম সফল প্ৰতিভা পল্লৱী দাস পাণিকা আৰু ৰিজু ৰাজ পাত্ৰৰ সৈতে মত বিনিময়ৰ ব্যৱস্থা কৰা হয়। পল্লৱী দাস পাণিকা একেখন বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰী। ১১ বছৰীয়া ৰিজু ৰাজ পাত্ৰই যোৱা মাহত ছুলতানা কামাল কে ডব্লিউ এফ এ দ্বিতীয় এছীয় কুংফু-উশ্বু চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছিল। ২১ বছৰীয়া পল্লৱী দাস পাণিকাই চিটাগঙৰ এছিয়ান ইউনিভাৰ্ছিটী ফৰ ৱ'মেনত ডিকম চাহ বাগিচাৰ আন দুগৰাকী ছাত্ৰীৰ সৈতে একেলগে লাভ কৰা জলপানিৰ মাধ্যমেৰে যোৱা বছৰ নামভৰ্তি কৰিছিল। হকনগুৰি চাহ বাগিচাৰ প্ৰবন্ধকৰ নেতৃত্বত চাহ বাগিচাখনৰ তিনিখন এ পি জে টী স্কুলৰ প্ৰধান শিক্ষকত্ৰয়, স্বাস্থ্য সহায়ক, সহকাৰী পৰিচালক আৰু ৱেলফেয়াৰ অফিচাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। জলপানি লাভ কৰাৰ পাছত প্ৰথমবাৰৰ কাৰণে ঘৰলৈ অহা পল্লৱী দাস পাণিকাই সকলো ছাত্ৰ-ছাত্ৰীকে পঢ়া শুনাত ভাল নম্বৰ লাভ কৰিবলৈ চেষ্টা কৰাৰ আহ্বান জনাই কয় যে ই তেওঁলোকক তেওঁলোকৰ সপোনৰ জীৱিকা বাছি লোৱাত সহায় কৰিব। এ পি জে টীৰ হকনগুৰি চাহ বাগিচাৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী পল্লৱী দাস পাণিকা ২০১৮ চনৰ চিটাগঙৰ এছিয়ান ইউনিভাৰ্ছিটী ফৰ ৱ'মেনত ৫ বছৰীয়া পাঠ্যক্ৰমৰ বাবে নিৰ্বাচিত হৈছিল। তেওঁ পঢ়াশুনা আৰু থকা-খোৱাৰ সমস্ত ব্যয় (৭৫,০০০ মাৰ্কিন ডলাৰ) কৰিব বিশ্ববিদ্যালয়খনে। পল্লৱী হৈছে চাহ বাগিচাখনৰ দিন মজুৰি কৰা কৰ্মী অশোক দাস পাণিকাৰ প্ৰথমা কন্যা। ৰিতু ৰাজ পাত্ৰই ঢাকা নেশ্বনেল স্প'ৰ্টছ কাউন্সিল ষ্টেডিয়ামত শেহতীয়াকৈ অনুষ্ঠিত ১৪ বছৰৰ অনূৰ্দ্ধৰ, ১৭ বছৰ অনূৰ্দ্ধৰ আৰু ১৯ বছৰ উৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ বাবে অনুষ্ঠিত ছুলতানা কামাল কে ডব্লিউ এফ এ দ্বিতীয় এছীয় কুংফু-উশ্বু চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছিল। ৰিজুৰ পিতৃ সুশীল পাত্ৰ এ পি জে টীৰ হকনগুৰি চাহ বাগিচাৰ কৰ্মী আৰু তেওঁৰ ককাক নাৰায়ণ পাত্ৰ বাগিচাখনৰ প্ৰাক্তন স্বাস্থ্য সহায়ক।